# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 11-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিনিয়োগ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে আজি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নম, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণণ, ছিংগাপুৰ আই টি ই শিক্ষা সেৱাৰ মুখ্য কাৰ্যবাহী বিষয়া সুৰেশ নটৰাজন, সুৰ্বানা জুৰঙৰ মুখ্য কাৰ্যবাহী বিষয়া লো চেৰ এক আৰু চেমি কনডাক্টৰ উদ্যোগৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলক সাক্ষাৎ কৰে। ড০ শৰ্মাই তেওঁলোকৰ সৈতে নগৰ পৰিকল্পনাৰে ৰাজ্যত চহৰ আৰু ঔদ্যোগিক উদ্যান নিৰ্মাণ, সেউজ শক্তি, কাৰিকৰী শিক্ষা, জাগীৰোডৰ ইলেকট্ৰনিক ছিটিত অংশীদাৰিত্ব আদি বিষয় লৈ আলোচনা কৰে। তেওঁ লগতে এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ সৈতে চেমি কনডাক্টৰ আৰু উদ্যোগ খণ্ডত ছিংগাপুৰৰ অংশীদাৰিত্বই ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য খণ্ডক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। ড০ শৰ্মাই কয় যে অসমত বিশ্ব দক্ষতা কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে আই টি আই ছিংগাপুৰৰ দক্ষতাৰ ব্যৱহাৰৰ পথ অন্বেষণ কৰিব। ভ্ৰমণকালত ড০ শৰ্মাই আই টি ই ছিংগাপুৰৰ উদ্যোগ কেন্দ্ৰিক এৰোস্পেচ পৰীক্ষাগাৰ, ফেকালটিৰ মান, ইলেকট্ৰনিক্স আদিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে বাণিজ্যিক সহযোগিতা আৰু বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ প্ৰতিষ্ঠিত উদ্যোগপতিসকলৰ সৈতে কেইবাখনো পৃথক বৈঠকত অংশগ্ৰহণ কৰিব। ০

০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি সংসদৰ কাৰ্যক্ৰম বড়ো, মণিপুৰী, সংস্কৃত, ডোগৰী, মৈথেলী আৰু উৰ্দু ভাষালৈ ভাষান্তৰ সেৱাৰ সম্প্ৰসাৰণৰ কথা ঘোষণা কৰে। শ্ৰীবিৰলাই কয়, যে বৰ্তমান হিন্দী আৰু ইংৰাজীৰ উপৰি অসমীয়া, বাংলা, গুজৰাটী, কানাড়া, মালায়ালম, মাৰাঠী, উড়িশা, পাঞ্জাৱী, তামিল আৰু তেলেগু ভাষাত অনুবাদৰ ব্যৱস্থা আছে। এতিয়া নতুনকৈ বড়োসহ ছটা ভাষালৈও সংসদৰ কাৰ্যক্ৰম অনুবাদ কৰা হব। ইয়াৰ উপৰি মানৱ সম্পদ উপলব্ধ হ'লে অতিৰিক্ত ১৬ টা ভাষালৈ শীঘ্ৰে সংসদৰ কাৰ্যক্ৰম ভাষান্তৰৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে।

ইফালে, কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ চলাচল দপ্তৰৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংসদৰ কাৰ্যক্ৰমত বড়ো, মণিপুৰী, সংস্কৃত, ডোগৰী, মৈথেলী আৰু উৰ্দু ভাষাক অন্তৰ্ভুক্ত কৰাৰ বাবে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৰা ঘোষণাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে কৈছে যে, হিন্দী, ইংৰাজীৰ উপৰি অসমীয়াকে ধৰি ১০ টা আঞ্চলিক ভাষাত সংসদৰ কাৰ্যক্ৰমণিকাৰ বিৱৰণীৰ ভাষান্তৰ ব্যৱস্থা আছিল আৰু এই তালিকাত উত্তৰ পূৰ্বাঞ্চলৰ দুটি ভাষা বড়ো, মণিপুৰীকে ধৰি মুঠ ছটা ভাষাত সংযোজন কৰা হৈছে। এই সিদ্ধান্তই প্ৰধামন্ত্ৰী নৰেন্দ্ৰ

মোদীৰ এখন ভাৰত শ্ৰেষ্ঠ ভাৰতৰ মূল মন্ত্ৰক শক্তিশালী ৰূপত প্ৰতিফলিত কৰা বুলি শ্ৰীসোণোৱালে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই ব্যৱস্থাই থলুৱা ভাষাসমূহৰ প্ৰচাৰ-প্ৰসাৰত অগ্ৰণি ভূমিকা পালন কৰিব।

০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি গোৱালপাৰাত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীন, এম জি এনৰেগা, অমৃত সৰোবৰ, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত জিলাখনত ৰূপায়ণ হৈ থকা কাম-কাজৰ পৰ্যালোচনা কৰে। বৈঠকত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মৃগাংক চৌধুৰী আৰু জিলাখনৰ আঠোটা উন্নয়ন খণ্ডৰ উন্নয়ন বিষয়াসকল উপস্থিত থাকে। বৈঠকত সংশ্লিষ্ট বিষয়াসকলে জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজৰ খতিয়ান দাঙি ধৰে।

০০০০

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ শান্তি বিঘ্নিত কৰিব পৰা অথবা অনাহক ভয় সৃষ্টি কৰিব পৰা কোনো ধৰণৰ উৰা বাতৰিত ভোল নাযাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। চৰকাৰে হিংসাত উচতনি যোগোৱা বা শান্তি সম্প্ৰীতি বিঘ্নিত কৰা যিকোনো প্ৰচেষ্টাৰ বিৰুদ্ধে আইন অনুযায়ী কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকিয়াই দিছে। ৰাজ্যখনৰ মুখ্য সচিব প্ৰশান্ত কুমাৰ সিঙে কৈছে যে, বিভিন্ন মাধ্যমেৰে বিভ্ৰান্তিকৰ তথ্য প্ৰচাৰ কৰা হৈছে আৰু ইয়াৰ ফলত অশান্তিৰ সৃষ্টি হৈছে। তেওঁ কয়, যে একাংশ ন্যস্ত স্বাৰ্থজড়িত ব্যক্তি আৰু গোটে ইচ্ছকৃতভাৱে অশান্তিৰ সৃষ্টি কৰিবলৈ আৰু শান্তি সম্প্ৰীতি বিঘ্নিত কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। এনে চেষ্টাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্য সচিবগৰাকীয়ে সকিয়াই দিছে।

০০০০

অসমে উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত বৰ্তমানলৈকে ৩৪ টা পদক লাভ কৰিছে। অসম আৰু পাঞ্জাৱৰ মাজত অনুষ্ঠিত মহিলাৰ নেটবল শিতানৰ তৃতীয় স্থান নিৰ্ণয়কাৰী খেলখন নিৰ্ধাৰিত সময়ত ২৩-২৩ ফলাফলত সমাপ্ত হোৱাত দুয়োটা দলকে ব্ৰঞ্জৰ প্ৰদান কৰা হয়। এই সফলতাৰে এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ পদকৰ সংখ্যা ৩৪ লৈ বৃদ্ধি পাইছে। অসমে ৩ টা সোণ, ১৫ টা ৰূপ আৰু ১৬ টা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০

গুৱাহাটী জল বোৰ্ডৰ ক্ষেত্ৰ সীমাৰ এলেকাত কাইলৈৰ পৰা ৩ টা পৰ্যায়ত পানী যোগান ব্যাহত হ'ব। জলবোৰ্ডে জাৰি কৰা জাননী অনুসৰি কাইলৈৰ পৰা ১৫ ফেব্ৰুৱাৰী, ১৯ ৰ পৰা ২২ ফেব্ৰুৱাৰী আৰু ২৫ ৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ বোৰ্ডৰ অধীনৰ পানী যোগান ধৰা অঞ্চলসমূহত পানীযোগান ব্যাহত হ'ব। পানী যোগান ব্যৱস্থাত থকা আসোৱাহ, নিৰ্গমন আদি পৰীক্ষাৰ বাবে গ্ৰহণ কৰিবলগীয়া ৰবটিক জৰীপৰ বাবে পানী যোগান ব্যাহত হ'ব বুলি বোৰ্ডে প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত